**মুঠ ঘৰুৱা উৎপাদন নিৰূপণৰ জোখ মাখ (Measurement of G.D.P.) ঃ**

আমি জানো যে কোনো দ্ৰব্য বা সেৱা কাৰ্যৰ উৎপাদন আৰু বিক্ৰী (আয় উপভোগৰ দ্ৰব্যকো ধৰি) আৰু আয় লগত জড়িত আয়ৰ সৃষ্টি এনে এটা পদ্ধতি যি নিৰবিচ্ছিন্ন ভাবে চলি থাকে। উৎপাদনে আয় বৃদ্ধি কৰে, আয় বৃদ্ধি পা দ্ৰব্য আৰু সেৱাৰ চাহিদা বাঢ়ে আৰু চাহিদাৰ ফলত ক্ৰয় বা ব্যয় (Expenditure) বৃদ্ধি পায়। আকৌ অধিক ক্ৰয় ব্যয় অধিক উৎপাদনৰ বাবে উৎসাহিত কৰে। উৎপাদন আৰু ব্যয়ৰ এই বৃত্তীয় প্ৰবাহে তিনিটা সুসংগত পৰ্যায় প্ৰতিনিধিত্ব কৰে। সেয়া হ'ল চিত্ৰ 2.a ত দেখুৱাৰ দৰে উৎপাদন, আয় আৰু ব্যয়।





**Fig.-2.a**

**.1. মুঠ ঘৰুৱা উৎপাদন (Gross domestic Product) ঃ**

উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মূল্যৰ জোখমাখ কৰাটো অতি প্ৰয়োজনীয়। কাৰণ ই অৰ্থনীতিৰ দ্বাৰা সম্পন্ন কা জ সমূহ পূৰ্ব নিৰ্ধাৰিত লক্ষ্যত (target set) উপনীত হৈছে নে নাই সেইটো বুজোৱাত সহায় কৰে। সেয়ে নীতিবিদ সকলে মুঠ উৎপাদনক (Total product) মুঠ ঘৰুৱা উৎপাদনেৰে (GDP) ৰ দ্বাৰা প্ৰকাশ কৰে। মু ৱা উৎপাদন (GDP) হ'ল কোনো এখন দেশৰ এক নিৰ্দিষ্ট সময় বা এক গণনা বৰ্ষত (Accounting Year পাদিত সকলো চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ বজাৰ মূল্য। (ভাৰতবৰ্ষত এটা জমা খৰছ হিচাব বৰ্ষ মানে ১ এপ্ৰিলৰ প বছৰৰ ৩১ মাৰ্চ লৈকে।)

**ষ্ট্যসমূহ (Characteristics) ঃ**

) বজাৰ মূল্যৰ সহায়ত মুঠ ঘৰুৱা উৎপাদন নিৰূপন কৰা হয়, পৰিমানৰ দ্বাৰা নহয়। (GDP is measur

using market value not quantities)

মূল্য শব্দটো মুঠ ঘৰুৱা উৎপাদনৰ সংজ্ঞা নিৰূপনৰ বাবে অতি আৱশ্যকীয়। ব্যষ্টিবাদী অৰ্থনীতিত (micro economics) উৎপাদন জোখা হয় পৰিমানৰ দ্বাৰা, কিন্তু মুঠ ঘৰুৱা উৎপাদন নিৰূপন কৰিবলৈ সকলো উৎপাদিত দ্ৰব্য আৰু সেৱাৰ মূল্য টকা বা অন্য কোনো প্ৰচলিত মুদ্ৰাৰ দ্বাৰা নিৰূপন কৰা হয়।

b) মুঠ ঘৰুৱা উৎপাদনে কেৱল চূড়ান্ত দ্ৰব্যৰ বজাৰ মূল্যকহে অৰ্ন্তভূক্ত কৰে (GDP includes only the market value of final goods)।

মুঠ ঘৰুৱা উৎপাদন নিৰূপন কৰিবলৈ আমি কেৱল চূড়ান্ত দ্ৰব্য বা সেৱাৰ বজাৰ মূল্যহে অৰ্ন্তভূক্ত কৰো, কোনো অন্য দ্ৰব্য বা সেৱা কাৰ্য্যক নহয়। চূড়ান্ত দ্ৰব্য বা সেৱা মানে হৈছে সেইবোৰ দ্ৰব্য বা সেৱা যি চূড়ান্ত পৰ্য্যায়ত গ্ৰাহকে উপভোগৰ বাবে ক্ৰয় কৰে।

গতিকে দ্বৈত গননাৰ সমস্যাৰ পৰা পৰিত্ৰান পাবলৈ আমি মাত্ৰ চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ মূল্যহে অৰ্ন্তভূক্ত কৰিব লাগে, অন্য কোনো মধ্যবৰ্তী দ্ৰব্য বা সেৱাৰ মূল্য অৰ্ন্তভূক্ত কৰিব নালাগে।

c) ঘৰুৱা মুঠ উৎপাদনত কেৱল চলিত উৎপাদন সমূহহে অৰ্ন্তভূক্ত হয়। (GDP includes only the current production) এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত হোৱা উৎপাদন সমূহহে ঘৰুৱা মুঠ উৎপাদনত অৰ্ন্তভূক্ত কৰা হয়। উদাহৰণস্বৰূপে ২০১৮ চনৰ ঘৰুৱা মুঠ উৎপাদন বুলিলে সেই বছৰত উৎপাদিত দ্ৰব্য আৰু সেৱাহে অৰ্ন্তভূক্ত হোৱা বুজায়। ঘৰুৱা মুঠ উৎপাদনত পূৰ্ব ব্যৱহৃত কোনো বস্তুৰ মূল্য অৰ্ন্তভূক্ত নহয়।

## .2. মুঠ ঘৰুৱা উৎপাদনৰ গণনা (Calculating GDP) ঃ

ধৰাহওঁক এক অতি সৰল অৰ্থনীতিত ২০১৯ চনত তলত উল্লেখিত ধৰণে ৫ বিধ দ্ৰব্য আৰু সেৱাৰ উৎপাদন কৰা হ'ল। এই দ্ৰব্য কেইবিধ হ'ল টায়াৰ, কিতাপ, কলম, পেঞ্চিল আৰু ৰবৰ, যি সমূহ তলৰ তালিকাৰ সহায়ত প্ৰকাশ কৰা হৈছেঃ

**২০১৯ চনৰ উৎপাদন আৰু মূল্যৰ তথ্য ঃ**

| দ্ৰব্য (Product) | পৰিমান (Quantity) | প্ৰতি বিধৰ দাম (Price per Uint) |
|---|---|---|
| টায়াৰ | ২০ | ৩০০০ |
| কিতাপ | ১০০০ | ২০০ |
| কলম | ১৫০০ | ৫০ |
| পেঞ্চিল | ১২০০ | ১০ |
| ৰবৰ | ২০০০ | ৫ |

এতিয়া মুঠ ঘৰুৱা উৎপাদন গণনা কৰোঁতে উদ্ভৱ হ'ব পৰা যিকোনো সমস্যাৰ সমাধানৰ বাবে আমি তলৰ পদক্ষেপ কেইটা লোৱা প্ৰয়োজন। যেনে ঃ

**১ নং পদক্ষেপ ঃ** আমি সকলো চূড়ান্ত দ্ৰব্য আৰু সেৱাহে অৰ্ন্তভূক্ত কৰিব লাগিব। ওপৰত উল্লিখিত তালিকা খনত

টায়াৰ, কিতাপ, কলম, পেঞ্চিল আৰু ৰবৰ হ'ল চুড়ান্ত দ্ৰব্য।

**২ নং পদক্ষেপ ঃ** দ্বিতীয় পদক্ষেপত দেখুওৱা হৈছে যে টেবুলত অৰ্ন্তভূক্ত কৰা সকলো চুড়ান্ত দ্ৰব্য আৰু মূল্য কেনেদৰে গননা কৰা হয়। ইয়াত মূল্য হ'ল উৎপাদিত দ্ৰব্য আৰু প্ৰতি গোটৰ (unit) দামৰ পূৰণ সেয়ে আমি ২ নং স্তম্ভৰ (Column) সংখ্যাৰে ৩ নং স্তম্ভৰ সংখ্যাক পুৰণ কৰি মূল্য নিৰ্ধাৰণ কৰিব লা

| দ্ৰব্য (Product) 1 | পৰিমান (Quantity)2 | প্ৰতি বিধৰ দাম (Price per Uint)3 | দ্ৰব্য (Product) 4 (2x |
|---|---|---|---|
| টায়াৰ | ২০ | ৩০০০ | ৬০০০০ |
| কিতাপ | ১০০০ | ২০০ | ২০০০০০ |
| কলম | ১৫০০ | ৫০ | ৬৫০০০ |
| পেঞ্চিল | ১২০০ | ১০ | ১২০০০ |
| ৰবৰ | ২০০০ | ৫ | ১০০০০ |

**৩ নং পদক্ষেপ ঃ**মুঠ ঘৰুৱা দ্ৰব্য (GDP) নিৰ্ণয় কৰিবলৈ উল্লিখিত ৫ টা চুড়ান্ত দ্ৰব্য আৰু সেৱাৰ প্ৰতিটোৰ যোগ কৰিব লাগিব।

ঃ মুঠ ঘৰুৱা দ্ৰব্য (GDP) = টায়াৰৰ মূল্য + কিতাপৰ মূল্য + কলমৰ মূল্য + পেঞ্চিলৰ মূল্য + ৰবৰৰ মূ ৬০০০+২০০০০০+৬৫০০০+১২০০০+১০০০=২৯৩০০০ সেয়েহে মুঠ ঘৰুৱা দ্ৰব্য বা নিৰ্ণীত প হ'ল ২৯৩০০০ টকা।

## 2.3. মুঠ ঘৰুৱা উৎপাদন নিৰূপণৰ বিভিন্ন তত্ব বা পদ্ধতি (Income Approach or Method)

**2.3.1. মুঠ ঘৰুৱা উৎপাদন নিৰূপণৰ বাবে বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয়। এই পদ্ধতিসমূহ তলত উল্লেখ হ'ল -**

**a) আয় তত্ব বা পদ্ধতি ঃ** আয় তত্ব বা পদ্ধতি মতে এটা গাণনিক বৰ্ষত প্ৰাথমিক উৎপাদনৰ উপাদান স তেওঁলোকৰ উৎপাদন সেৱাৰ বাবে ধাৰ্য্য কৰা মূল্য বা বেতনৰ পৰা জাতীয় আয় নিৰূপন কৰা হয় তত্বৰ লগত তলত দিয়া পদক্ষেপ কেইটা জড়িত হৈ আছে -

1. উৎপাদনশীল উদ্যোগ বিলাক চিনাক্তকৰণ কৰা, যিবোৰ উদ্যোগ উৎপাদনৰ উপাদান সমূহ নি কৰে।
2. উৎপাদনৰ উপাদান সমূহৰ ব্যয়ৰ শ্ৰেণী বিভাজন কৰা।
3. উৎপাদন ব্যয় নিৰ্ণয় কৰা।

(ii) খাজনা

(iii) সুদ

(iv) লাভ

(v) আত্ম নিয়োজিত মিশ্ৰিত আয়।

সেয়ে মুঠ জাতীয় হ'ল চলিত উৎপাদনৰ কামকাজৰ দ্বাৰা সৃষ্ট আয় আৰু বিভিন্ন অৰ্থনৈতিক গোটৰ মাজত কৰ বিতৰণৰ সমান। এই অৰ্থনৈতিক গোট বা শ্ৰেণীসমূহ (economic groups) হৈছে বনুৱা, মাটিৰ মালিক, পুজিবাদী সকল আৰু সংগঠক সকল আৰু তেওঁলোকে লাভ কৰা আয় সমূহ হৈছে মজুৰী, খাজনা, সুদ আৰু লাভ। এখন দেশৰ পৰিসীমাৰ ভিতৰত, উৎপাদনৰ বিভিন্ন উপাদান সমূহে লাভ কৰা আয়ৰ যোগফলকে মুঠ ঘৰুৱা উৎপাদন (GDP) বুলি কোৱা হয়।

এটা সৰল সমীকৰণৰ দ্বাৰা বজাৰ মূল্যত মুঠ ৰাষ্ট্ৰীয় উৎপাদন ($GNP_{mp}$) ৰ অংশ সমূহ দেখুউৱা হৈছে -

$GNP_{mp}$ = সকলো মজুৰি, দৰমহা আৰু পৰিপূৰক আয় (হস্তান্তৰিত ব্যয় বাদ দি) + সকলো খাজনা (গৰাকীয়ে উৎপাদনৰ বাবে ব্যৱহাৰ কৰা নিজৰ সম্পতিৰ খাজনাকে ধৰি) + সকলো সুদ + সকলো লাভ + বৰ্হিৰাজ্যৰ পৰা অহা আচল আয় (net income) - পৰোক্ষ কৰ - সাহাৰ্য্য + ক্ষয়ক্ষতি।

আমি তলত দিয়া ধৰণে মুঠ জাতীয় উৎপাদন, বজাৰ মূল্য ($GNP_{mp}$) ৰ পৰা মুঠ ঘৰুৱা উৎপাদন, বজাৰ মূল্যত ($GDP_{mp}$) নিৰ্ণয় কৰিব পাৰো -

GDPmp = GNPmp-Net factor income from abroad.

মুঠ ঘৰুৱা উৎপাদনৰ বজাৰ মূল্য = মুঠ জাতীয় উৎপাদনৰ বজাৰ মূল্য- বৰ্হিৰাজ্যৰ পৰা অহা আচল আয় (Net income)।

জাতীয় আয় গণনাৰ ক্ষেত্ৰত যেতিয়া আয় তত্বৰ (Income method) ব্যৱহাৰ কৰা হয়, তেতিয়া উৎপাদনৰ উপাদান সমূহৰ আয় গণনাৰ ক্ষেত্ৰত তলত দিয়া সাৱধনতাখিনি অৱলম্বন কৰা উচিত -

১) সকলো বদলিকীত (হস্তান্তৰিত ব্যয়) বৰ্জন কৰা উচিত।

২) আত্ম উপভোগৰ বাবে উৎপাদিত সামগ্ৰীৰ মূল্য আৰু গৰাকীয়ে উৎপাদনৰ সময়ত ব্যৱহাৰ কৰা নিজৰ ঘৰৰ খাজনা অৰ্ন্তভূক্ত কৰা উচিত।

৩) বে-আইনী অৰ্ন্তভূক্ত হ'ব নালাগিব।

৪) লটাৰীৰ নিচিনা অভাৱনীয় লাভ সমূহ অৰ্ন্তভূক্ত কৰিব নালাগিব।

৫) নিগম কৰ (corporation tax) হ'ল লাভৰ এটা অংশ। যেতিয়া জাতীয় আয় গণনা কৰা হয় নিগম কৰ কৰ্তন কৰাৰ আগৰ লাভহে অৰ্ন্তভূক্ত কৰিব লাগে আৰু তেনে কৰোতে আকৌ পৃথককৈ নিগম কৰ অৰ্ন্তভূক্ত কৰিব নালাগে। ঠিক সেইদৰে কৰ্মচাৰী সকলৰ ক্ষতিপূৰণত তেওঁলোকে পৰিশোধ কৰা আয় কৰো অৰ্ন্তভূক্ত হৈ থাকে। গতিকে যেতিয়া জাতীয় আয়ত কৰ্মচাৰী সকলৰ ক্ষতিপূৰণ অৰ্ন্তভূক্ত কৰা হয় তেতিয়া তেওঁলোকৰ দ্বাৰা পৰিশোধ কৰিব লগা আয় কৰ পৃথককৈ গণনা কৰিব নালাগে।